# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 23-03-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চাৰিদিনীয়া ডিব্ৰুগড় ভ্ৰমণৰ অন্তিম দিনা আজি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ সভাগৃহত লোকনিৰ্মাণ, গৃহবিভাগ আৰু চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বাবে গ্ৰহণ কৰা ৩০০ কোটি টকা ব্যয় সাপেক্ষ নতুন আৱাসিক কলনি নিৰ্মাণৰ অভিলাষী প্ৰকল্প সন্দৰ্ভত আলোচনা কৰা হয়। চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ পুৰণি আৱাসসমূহৰ পৰিৱৰ্তে অধ্যক্ষ-উপাধ্যক্ষ, জ্যেষ্ঠ, কনিষ্ঠ চিকিৎসকৰ আৱাসৰ লগতে ছাত্ৰাৱাস, ছাত্ৰী নিবাস, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাবে নতুন আৱাসিক কলনি, সন্মিলন কেন্দ্ৰ আদি বিভিন্ন সা-সুবিধা অন্তৰ্ভুক্তিৰে প্ৰস্তুত কৰা প্ৰকল্পটোৰ নক্সাৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বুজ লয়। বৈঠকখনত বিভাগসমূহৰ উচ্চ পদস্থ বিষয়াসকলৰ লগতে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, মুখ্য অধীক্ষকো উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই চাৰিদিনীয়া ডিব্ৰুগড় ভ্ৰমণ সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰকাশ কৰি কয়, যে ঐতিহাসিক চহৰ ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে আৰু এই উদ্দেশ্যে চহৰখনত কেইবাটাও ব্যৱস্থা আৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সচিবালয় কাৰ্যকৰী কৰাৰ লগতে ডিব্ৰুগড়ৰ গৌৰৱময় অতীতক পুনৰ উদ্ধাৰ কৰি চহৰখনক পূব ভাৰতৰ এখন প্ৰধান অৰ্থনৈতিক আৰু সংস্কৃতিক কেন্দ্ৰ হিচাপে নিৰ্মাণৰ পৰিকল্পনাৰে কাম কৰি থকা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নিয়মীয়া পৰ্যালোচনা বৈঠকৰ ফলত কেবিনেটৰ সিদ্ধান্ত, আঁচনি আৰু আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহ ত্বৰান্বিত হৈছে। সচিবালয়ে অঞ্চলটোৰ সামাজিক সংগঠনসমূহক চৰকাৰৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় ভ্ৰমণতে ডিব্ৰুগড়, ধেমাজি, ঢকুৱাখনা আৰু ডিমৌ বিধানসভা সমষ্টিত ৩ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ ৫০০ৰো অধিক প্ৰকল্প পৰ্যালোচনা বৈঠকতো ভাগ লোৱাৰ কথা প্ৰকাশ কৰে। এই বৈঠকত অঞ্চলটোৰ পথ, উৰণ সেতু, ঘাইপথ, চৰকাৰী ভৱন, মথাউৰি, বিদ্যুৎ কেন্দ্ৰ, চিকিৎসালয়, ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰকল্পসমূহৰ কাম ক্ষিপ্ৰতাৰে কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশনা দিয়াৰ কথাও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ছিংগাপুৰ চৰকাৰৰ আমন্ত্ৰণমৰ্মে তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰত উপস্থিত হৈছে। দেশখনৰ উচ্চ আয়োগে আজি মন্ত্ৰীগৰাকীক আদৰণি জনায়। শ্ৰীসোণোৱালে আই এন এ স্মাৰকত নেতাজী সুভাষ চন্দ্ৰ বসু আৰু অজ্ঞাত সৈনিকসকলৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰে। এই সন্দৰ্ভত দিয়া এটা বাৰ্তাত তেওঁ কয় যে স্বাধীনতাৰ হকে এইসকল

বীৰ সেনানীৰ অতুলনীয় ত্যাগ, সাহস, নিৰ্ভিক সংকল্প আৰু স্বদেশপ্ৰেমে দেশৰ প্ৰতিটো প্ৰজন্মকে অনুপ্ৰাণিত কৰি আহিছে। উল্লেখযোগ্য যে মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণ কালত সামুদ্ৰিক ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা বৃদ্ধি, বন্দৰ উন্নয়ন, জাহাজ মেৰামতি খণ্ডৰ ৰূপান্তৰ তথা জলপথ আৰু সামুদ্ৰিক খণ্ডৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাত মিলিত হ'ব। এই আলোচনাই ভাৰত আৰু ছিংগাপুৰৰ মাজৰ সামুদ্ৰিক তথা বাণিজ্যিক সম্পৰ্কক নতুন গতি দিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে ছিংগাপুৰৰ প্ৰবাসী অসমীয়া সমাজৰ সৈতেও মত বিনিময় অনুষ্ঠানত মিলিত হ'ব। তদুপৰি সামুদ্ৰিক খণ্ডত নতুন সুযোগ-সম্ভাৱনা মুকলি কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে দেশখনৰ সামুদ্ৰিক খণ্ডৰ ভালেসংখ্যক শীৰ্ষ নেতাক সাক্ষাৎ কৰিব। তেওঁ ছিংগাপুৰৰ কেইবাগৰাকীও জ্যেষ্ঠ মন্ত্ৰীৰ সৈতে মিলিত হ'ব।

ooooo

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম, জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজি সমষ্টিৰ বৰুৱা ব্লক চাৰিআলিৰ পৰা সুবাহী চাৰিআলি সংযোগী ৭৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এখন পকী দলঙৰ আজি আধাৰশিলা স্থাপন কৰে। বিশ্ববেংকৰ পুঁজিৰে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ অধীনত অনুমোদিত ৪ কোটি ৪৬ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা পকী দলংখনে যাতায়াতৰ ক্ষেত্ৰত অঞ্চলটোৰ লোকৰ দীৰ্ঘদিনীয়া সমস্যা দূৰ কৰিব বুলি আশা কৰা হৈছে।

ooooo

পশ্চিম কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তত আজি দিনৰ ভাগত হোৱা প্ৰচণ্ড শিল-বৰষুণৰ ফলত জিলাখনত বিস্তৰ ক্ষতি হয়। জিলাখনৰ চিংথং পৰিষদীয় সমষ্টিৰ লং এহ্ লুবৈত হোৱা এই শিল-বৰষুণৰ ফলত বিস্তীৰ্ণ অঞ্চলৰ কৃষি ভূমি নষ্ট হোৱাৰ লগতে কেইবাটাও বাসগৃহ ক্ষতি হয়। উল্লেখযোগ্য যে যোৱা ২৩ ফেব্ৰুৱাৰীত জিলাখনত শিল-বৰষুণৰ ফলত ক্ষতি হৈছিল।

ooooo

ধেমাজিৰ নিলখ হাইস্কুল খেলপথাৰৰ বিশ্ববীৰ চিলাৰায় সমন্বয় ক্ষেত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম কোচ সন্মিলনৰ ৩৬ সংখ্যক বাৰ্ষিক ৰাজ্যিক অধিবেশনৰ আজি সামৰণি পৰে। অন্তিম দিনাৰ কাৰ্যসূচীৰ অংশৰূপে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাত জনগোষ্ঠীটোৰ ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতিফলন ঘটোৱা হয়। ৰাজ্যৰ বিভিন্ন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই অধিবেশনত জনগোষ্ঠীটোৰ বিভিন্ন সমস্যা আৰু দাবী সম্পৰ্কে আলোচনা কৰা হয়।

ooooo

ধেমাজি জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰী তৰুলতা বৰুৱাৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৫ বছৰ। অসম আন্দোলনৰ ছহীদ সুৰেণ বৰুৱাৰ পত্নী তৰুলতা বৰুৱাৰ মৃত্যুত বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত